ভাতৃৰ অনুপস্থিতিত মুছলিম ভাতৃৰ দুআ লগে লগে কবূল হয়।

উম্মে দাৰদা আৰু আবু দাৰদা ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ভাতৃৰ অনুপস্থিতিত মুছলিম ভাতৃৰ দুআ লগে লগে কবূল হয়।
তেওঁৰ মূৰৰ কাষত এজন ফিৰিস্তা নিয়োজিত থাকে, যেতিয়া তেওঁ নিজৰ ভাতৃৰ বাবে কোনো কল্যাণমূলক দুআ কৰে, তেতিয়া ফিৰিস্তাজনে কয়ঃ আমীন, লগতে তোমাকো অনুৰূপ দান কৰক।" [ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা উল্লেখ কৰিছে যে, এজন মুছলিম ব্যক্তিয়ে তাৰ ভাতৃৰ অনুপস্থিতিত কৰা দুআ মহান আল্লাহে কবূল কৰে। কাৰণ এইটো হৈছে উচ্চ পৰ্যায়ৰ ইখলাচ। লগতে দুআকাৰী ব্যক্তিৰ মূৰৰ ওচৰত এজন ফিৰিস্তা নিযুক্ত থাকে, যেতিয়াই দুআকাৰীয়ে কোনো কল্যাণমূলক দুআ কৰে, তেতিয়া সেই নিয়োজিত ফিৰিস্তাজনে আমীন বুলি কয়। লগতে কয় যে, তোমাৰ বাবেও সেইটোৱে কবূল হওক যিটো তুমি দুআ কৰিছা।

http://sunnah.global/hadeeth/as/show/3219